**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
HEADLINES

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ সমাজৰ প্ৰতিটো শ্ৰেণীয়ে এই উন্নয়নৰ যাত্ৰাত সমানে অংশগ্ৰহণ কৰিব লাগিব বুলি মত প্ৰকাশ কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৩। শ্ৰীলংকাত ডিট্‌ৱা ঘূৰ্ণী বতাহে ক্ষতি কৰা লোকসকলৰ বাবে ভাৰতৰ পৰা ২৭ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে টি-২০ বিশ্বকাপত জয়ী হোৱা ভাৰতীয় দৃষ্টিহীন মহিলা ক্ৰিকেট দলৰ খেলুৱৈ সকলক শুভেচ্ছা জনাইছে।

*আৰু*

৫। ভাৰতে কানাডাক পৰাস্ত কৰি চুলতান আজলান শ্বাস হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

0000000

ভাৰতে বৰ্তমান উন্নয়নৰ পথত আগবাঢ়িবলৈ যুৱক-যুৱতীসকল উৎসাহী হৈ থকাটো অতি প্ৰয়োজন। আজি উত্তৰাখণ্ডৰ মচুৰীস্থিত লালবাহাদুৰ শাস্ত্ৰী নেচনেল একাডেমী অফ এডমিনিষ্ট্ৰেচনত অনুষ্ঠিত হোৱা ১০০ সংখ্যক বুনিয়াদী পাঠ্যক্ৰমৰ সামৰণি অনুষ্ঠানত ভাষণ দি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এইদৰে কয়। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ সমাজৰ প্ৰতিটো শ্ৰেণীয়ে এই উন্নয়নৰ যাত্ৰাত সমানে অংশগ্ৰহণ কৰিব লাগিব। যি সময়ত মানৱতাই বহু নৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে সেই সময়ত আমাক এনে চৰকাৰী কৰ্মচাৰীৰ প্ৰয়োজন, যিসকলে কেৱল পৰিৱৰ্তন আনিব বিচৰা বুলি কোৱাই নহয়, বৰঞ্চ হাতে-কামে পৰিৱৰ্তন সাধনৰ বাবে নিৰন্তৰ চেষ্টা চলাইছে।

0000000

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ কাইলৈ কুৰুক্ষেত্ৰলৈ যাব। এই ভ্ৰমণকালত শ্ৰী ৰাধাকৃষ্ণণে কুৰুক্ষেত্ৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ কুৰি সংখ্যক সমাবৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে ভাগ ল'ব। তেওঁ লগতে আন্তঃৰাষ্ট্ৰীয় গীতা মহোৎসৱৰ সৈতে সংগতি ৰাখি আয়োজন কৰা অখিল ভাৰতীয় দেৱস্থানম সন্মিলনত অংশ গ্ৰহণ কৰিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই

অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

শ্ৰী লংকাত ডিটবা ঘূৰ্ণিবতাহে ক্ষতি কৰা লোকসকলৰ বাবে ভাৰতৰ পৰা ২৭ টন সাহাৰ্য্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ. জয়শংকৰে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে যে আকাশমাৰ্গ আৰু সামুদ্ৰিক পথেৰে এই সামগ্ৰীসমূহ কলম্বোলৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ লগতে উদ্ধাৰকাৰ্যত সহায়ৰ বাবেও এন.ডি.আৰ.এফৰ ৮০ জন জোৱানক শ্ৰীলংকালৈ পঠিওৱা হৈছে।

উল্লেখযোগ্য যে ডিটবা ঘূৰ্ণিবতাহত প্ৰভাৱিত লোকসকলৰ সাহায্যৰ বাবে আৰু উদ্ধাৰ অভিযান শক্তিশালী কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে অপাৰেচ'ন সাগৰ বন্ধু অভিযানৰ আৰম্ভ কৰিছে। এই অভিযানৰ অধীনতে কালি নিশা বায়ুসেনাৰ হিন্দন বিমান ঘাটিৰ পৰা এখন C-130 আৰু এখন IL-76 বিমান শ্ৰীলংকালৈ উৰা মাৰিছে বুলি বায়ু সেনা বাহিনীয়ে উল্লেখ কৰিছে।

০০০০০০০

ডিট্ৱা নামৰ ঘূৰ্ণী বতাহৰ প্ৰভাৱত হোৱা নেৰা-নেপেৰা বৰষুণৰ বাবে শ্ৰীলংকাৰ ভালেমান অংশত ব্যাপক ধন-জন হানি হৈছে। ধুমুহাজাকৰ ফলত ১২৩ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ১৩০ জন লোক সন্ধানহীন হৈ আছে। বতাহজাকৰ ফলত ৩ লাখ ৭০ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। শ্ৰীলংকাত কেইবাদিনো ধৰি হোৱা নেৰা-নেপেৰা বৰষুণ হ্ৰাস পাইছে আৰু বতাহজাক সম্প্ৰতি তামিলনাডুৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে। ঘূৰ্ণী বতাহজাক কাৰাইকলৰ পৰা প্ৰায় ২২০ কিলোমিটাৰ দক্ষিণ-পূব আৰু পুডুচেৰীৰ পৰা ৩৮০ কিলোমিটাৰ নিলগত কেন্দ্ৰীভূত হৈ আছে আৰু প্ৰতি ঘণ্টাত ৭ কিলোমিটাৰ বেগেৰে উত্তৰ পশ্চিম দিশে অগ্ৰসৰ হৈছে। পুডুচেৰীৰ নাল্লাভাদু মাছমৰীয়া গাঁৱত সাগৰৰ ঢৌ ১০ ফুটলৈ বৃদ্ধি পাইছে। সতৰ্কতা মূলক ব্যৱস্থা হিচাপে মাছমৰীয়াসকল পাৰৰ পৰা প্ৰায় ৫০ ফুট দূৰলৈ মাছমৰা নাওসমূহ স্থানান্তৰিত কৰিছে। নেৰানেপেৰা বৰষুণ আৰু ধুমুহা বতাহৰ ফলত সৃষ্টি হোৱা পৰিস্থিতি মূল্যায়নৰ বাবে পুডুচেৰীৰ অসামৰিক যোগান মন্ত্ৰী পি আৰ এন থিৰুমুৰুগানে জিলা প্ৰশাসন আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন জৰুৰী পৰ্যালোচনা বৈঠকত মিলিত হৈছে।

বতৰ বিজ্ঞান বিভাগৰ আগলি বতৰা অনুসৰি বতাহজাক কাইলৈ নিচেই পুৱা উত্তৰ তামিলনাডুৰ সমীপৰ বংগোপসাগৰৰ জলভাগ আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

সোমবাৰে সংসদৰ শীতকালীন অধিৱেশন আৰম্ভ হ'ব। অধিৱেশনৰ প্ৰাক ক্ষণত আকশবাণীৰ বাতৰি সেৱা বিভাগে এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। ইংৰাজীত "Issues Before Parliament" হিন্দীত এই অনুষ্ঠান "Sansad Ke Samaksh Mudde". শিৰোনামেৰে প্ৰচাৰ কৰা হ'ব। ইংৰাজী ভাষাত অনুষ্ঠানটো আকাশবাণী ৰেইন বো চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি  প্ৰচাৰ কৰা হ'ব। লগতে হিন্দী ভাষাত এই অনুষ্ঠানটো আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান কাইলৈ ৰাতি চাৰে ৯ বজাৰ পৰা ১০ বজালৈ প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।০০০ ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

নিৰ্বাচন আয়োগে আজি প্ৰকাশ কৰিছে যে, বিশেষ বিস্তৃত সংশোধনৰ  দ্বিতীয় পৰ্যায়ত ভোটাৰসকলৰ মাজত ৫০ কোটি ৭৩ লাখতকৈও অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে। এই প্ৰক্ৰিয়াৰ জড়িয়তে প্ৰায় ৫১ কোটি মুঠ ভোটাৰৰ ৯৯ দশমিক ৫৩ শতাংশ ভোটাৰক এই পৰ্যায়ত সামৰি লোৱা হ 'ব। আয়োগে কয় যে এতিয়ালৈকে প্ৰায় ৪০ কোটি প্ৰ-পত্ৰ ডিজিটেলাইজ কৰা হৈছে। উল্লেখযোগ্য যে ৪ নৱেম্বৰৰ পৰা দেশৰ ৯ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয় শাসিত অঞ্চলত দ্বিতীয় পৰ্যায়ৰ ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন আৰম্ভ হৈছে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ হৈছে ছত্তীশগড়, গোৱা, গুজৰাট, কেৰালা, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিম বংগ, পুডুচেৰী, লক্ষদ্বীপ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশৰ লগে লগে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনৰ অন্ত পৰিব।

০০০০০০০

মুখ্য নিৰ্বাচনী বিষয়া ৰাথন ইউ কেলকাৰে আজি কেৰালাৰ তিৰুৱন্তপুৰমত ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ সৈতে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনৰ অগ্ৰগতি পৰ্যালোচনা কৰিবলৈ এখন বৈঠক আহ্বান কৰে। বিষয়াগৰাকীয়ে অৱগত কৰিছে যে তালিকাত থকা সকলো ভোটাৰৰ মাজত গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে, আৰু ইতিমধ্যে ৮৫% প্ৰ-পত্ৰৰ পূৰণ সম্পূৰ্ণ হৈছে। গণনা প্ৰ-পত্ৰ দাখিল কৰা সকলো ভোটাৰক খচৰা তালিকাত অন্তৰ্ভুক্ত কৰা হ'ব। শ্ৰী কেলকাৰে লগতে কয় যে যিসকল ব্যক্তি ২০০২ চনৰ ভোটাৰ তালিকাৰ অংশ নাছিল, তেওঁলোকৰ বাবে নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ দ্বাৰা প্ৰমাণীকৰণ আৰু শুনানি অনুষ্ঠিত কৰা হ'ব। বৈঠকত বিজেপি, কংগ্ৰেছ, , চিপিআইএম),

চিপিআই, মুছলিম লীগ আৰু অন্যান্য ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছিল।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মূৰ্মুৱে টি-২০ বিশ্বকাপত জয়ী হোৱা ভাৰতীয় দৃষ্টিহীন মহিলা ক্ৰিকেট দলৰ খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। আজি ৰাষ্ট্ৰপতিভৱনত দলটোৰ খেলুৱৈসকলে ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে। সাক্ষাৎকালত দলটোৱে খেলুৱৈসকলৰ স্বাক্ষৰ সম্বলিত এখন বেট ৰাষ্ট্ৰপতিক উপহাৰ দিয়ে। ৰাষ্ট্ৰপতি মূৰ্মুৱে খেলুৱৈসকলৰ এই সাফল্যই সকলোকে অনুপ্ৰাণিত কৰা বুলি মন্তব্য কৰি কয় যে এনে প্ৰদৰ্শনে উঠি অহা প্ৰজন্মক জীৱন আৰু জিৱিকাৰ দিশত উচ্চাকাংক্ষী হবলৈ উৎসাহিত কৰিব।

০০০০০০০

ভাৰতে কানাডাক পৰাস্ত কৰি চুলতান আজলান শ্বাহ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি মালয়েছিয়াৰ ইপোহৰ ষ্টেডিয়ামত অনুষ্ঠিত ছেমিফাইনেলত ভাৰতে আক্ৰমণাত্মক প্ৰদৰ্শনেৰে ১৪-৩ গ'লত কানাডাক পৰাস্ত কৰিছে। ভাৰতৰ হৈ জুগ্ৰাজ সিঙে চাৰিটা, আৰু ৰাজিন্দৰ সিঙে দুটা গ'ল কৰে।

০০০০০০০

সমাপ্ত